No. of Printed Pages—4

620/619 (CS/OM)

[18–HRGPKAC–D6S]

BA 6th Semester Exam., 2018

অসমৰ সংস্কৃতি অধ্যয়ন

[BASnA–02]

(অসমৰ লোকসংস্কৃতি অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক : 1×8=8

(a) ৰৰফুকনৰ গীত আৰু মণিৰাম দেৱানৰ গীতৰ ৰচনাকাল কেতিয়া বুলি অনুমান কৰা হয় ?

(b) 'মৌখিক সাহিত্য' বুজাবলৈ ব্যৱহাৰ কৰা আন দুটা অভিধা উল্লেখ কৰক ।

(c) 'সোণসেৰীয়া' মানে কি ?

(d) 'দৈয়ন দিয়া' কি লোকবিশ্বাসৰ অন্তৰ্ভুক্ত ?

(e) অসমৰ কোন অঞ্চল পোৰামাটিৰ শিল্পৰ বাবে বিখ্যাত ?

(f) নামঘৰৰ মণিকূট কোন দিশত নিৰ্মাণ কৰা হয় ?

(g) 'যোৰানাম'ক নামনি অসমত কি গীত বুলি অভিহিত কৰা হয় ?

(h) 'কুশান গান'ক আন কি নামেৰে জনা যায় ?

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

(a) সংকেত লোকবিশ্বাস মানে কি ?

(b) অসমীয়া প্ৰতিযোগিতামূলক খেল-ধেমালি সম্পৰ্কে চমুকৈ লিখক ।

(c) মালিতা বুলিলে কি বুজে ?

(d) গদ্যধৰ্মী লোককথা মানে কি ?

(e) 'বাৰমাহী গীত' সম্পৰ্কে চমুকৈ লিখক।

(f) অসমৰ লোকনৃত্যক কেইটা আৰু কি কি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি?

(g) 'লোক আভৰণ' বুলিলে কি বুজে?

(h) মৌখিক সাহিত্যক কি কি দৃষ্টিকোণেৰে শ্ৰেণীবিভাজন কৰিব পাৰি, উল্লেখ কৰক।

3. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) চমু টোকা লিখক : মন্ত্ৰসাহিত্য।

(b) লোকপৰিৱেশ্য কলা মানে কি, ব্যাখ্যা কৰক।

(c) অসমৰ লোকঔষধ সম্পৰ্কে এটি টোকা লিখক।

(d) লোকবিশ্বাস আৰু লোকধৰ্ম মানে কি? পৰস্পৰৰ সম্পৰ্ক নিৰ্ণয় কৰক।

(e) লোককলা মানে কি বুজে, বুজাই লিখক।

(f) অসমৰ বয়নশিল্প সম্পৰ্কে আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) লোকসংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি সাধাৰণ পৰিচয় দাঙি ধৰক। প্ৰয়োজন-সাপেক্ষে অসমীয়া লোকসংস্কৃতিৰ পৰা উদাহৰণ দাঙি ধৰিব।

(b) সামাজিক লোকাচাৰ মানে কি? ইয়াৰ শ্ৰেণীবিভাজন কৰি অসমীয়া সামাজিক লোকাচাৰৰ বিষয়ে আলোচনা কৰক।

(c) লোকগীত মানে কি? অসমীয়া লোকগীত সম্পৰ্কে বহলাই আলোচনা কৰক।

5. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) লোকবাদ্য মানে কি? ইয়াক কেনেকৈ শ্ৰেণীবিভাজন কৰা হয়? অসমীয়া লোকবাদ্য সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওক।

(b) ভৌতিক সংস্কৃতি মানে কি? ইয়াত কি কি বিষয় সন্নিবিষ্ট হৈ আছে? অসমীয়া ভৌতিক সংস্কৃতি সম্পৰ্কে চমুকৈ আলচ কৰক।

(c) মালিতাক কেনেদৰে শ্ৰেণীবিভাজন কৰা যায়? তাৰে আধাৰত অসমীয়া মালিতা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

(Continued)